# Newspaper Cutting
# 2019

FRIDAY, JANUARY 18, 2019
8 THE ASSAM TRIBUNE, GUWAHATI

## City college teacher hurt at Sadiya mishap dies

GUWAHATI, Jan 17: Humen Chiring, Assistant Professor and Head of the Department of Geography, Karmashree Hiteswar Saikia College here, passed away today at the Assam Medical College and Hospital, Dibrugarh, due to severe injuries he had suffered in a road accident at Sadiya in Tinsukia district on January 15 last.



The entire Karmashree Hiteswar Saikia College family has mourned the demise of Chiring, who had been serving in the college since 2000. Terming him a very dedicated and efficient teacher, the college family said his death has caused an irreparable loss to the institution.

The teachers, staff and students of the college offered their condolences to the bereaved family and prayed for eternal peace of the departed soul.

নিয়মীয়া বাৰ্তা
শুকুৰবাৰ, ১৮ জানুৱাৰী ২০১৯

## হিতেশ্বৰ শইকীয়া কলেজৰ অধ্যাপক হোমেন চিৰিঙৰ মৃত্যু

মহানগৰ বাৰ্তা, ১৭ জানুৱাৰী ঃ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক হোমেন চিৰিঙৰ আজি পুৱাৰ ভাগত ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। যোৱা ১৫ জানুৱাৰীত শদিয়াত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ অধ্যাপকগৰাকীয়ে চিকিৎসাধীন অৱস্থাত আজি পুৱাৰ ভাগত অকাল মৃত্যুক সাৱটি লয়। অধ্যাপকগৰাকীৰ মৃত্যুত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে ২০০০ চনত দায়িত্বভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়খনৰ ভূগোল বিষয়ৰ অধ্যাপক হিচাপে কাম কৰি আছিল। এক বিবৃতিত মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে অধ্যাপকগৰাকীৰ মৃত্যুত মহাবিদ্যালয়খনৰ এক অপূৰণীয় ক্ষতি হোৱা বুলি মন্তব্য কৰে।

১৮ জানুৱাৰী, ২০১৯ শুকুৰবাৰ, গুৱাহাটী ★
আমাৰ অসম

## অধ্যাপক হোমেন চিৰিঙৰ মৃত্যু

ধীৰেনপাৰাৰ প্ৰতিবেদক, ১৭ জানুৱাৰী ঃ মহানগৰীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক হোমেন চিৰিঙৰ মঙলবাৰে তেওঁৰ গৃহভূমি শদিয়াত এটা পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ বৃহস্পতিবাৰে পুৱাই ডিব্ৰুগড় মেডিকেল কলেজ হাস্পতালত অকাল মৃত্যু হয়। মৃত্যুৰ সময়ত অঞ্চলটোত শোকৰ ছাঁ পৰে। মহাবিদ্যালয়ৰ ভূগোল বিভাগটোত তেওঁ ২০০০ চনৰ পৰাই দায়িত্বভাৰ গ্ৰহণ কৰি আহিছিল। মহাবিদ্যালয়ৰ পৰিয়ালে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ৩১ জানুৱাৰী, ২০১৯/১৬ মাঘ, ১৯৪০ শক

# হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত যুৱ সংসদ মহোৎসৱ

গুৱাহাটী, ৩০ জানুৱাৰী ঃ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ২৮ জানুৱাৰীত শিক্ষানুষ্ঠানসমূহত এন এছ এছ গোটে জিলা পৰ্যায়ৰ যুৱ সংসদ মহোৎসৱ অনুষ্ঠিত কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰ, উপাধ্যক্ষ ড° মৌচুমী বৰদলৈ হাজৰিকাই অংশগ্ৰহণ কৰে। বিচাৰক হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া উজ্জ্বল বৰুৱা, শিল্পী মধুসূদন দাস, শিক্ষাবিদ ড° অনুপ কুমাৰ ডেকা, ড° মৃণ্ময় বৰুৱা আৰু যুৱ সমাজকৰ্মী ভাস্কৰজ্যোতি দাস।

TUESDAY, FEBRUARY 5, 2019

THE ASSAM TRIBUNE, GUWAHATI 11

# National Youth Parliament Festival at city college

GUWAHATI, Feb 1: National Youth Parliament Festival, 2019 was hosted recently by Karmashree Hiteswar Saikia College here which was selected as the nodal institution among the Kamrup (M) colleges by the Union Ministry of Youth Affairs and Sports, said a press release issued here today.

The festival, held in two phases, included walk-in screening and District Level Youth Parliament.

The District Level Youth Parliament was inaugurated by the Principal of the host college Dr Sikhamoni Konwar. In her inaugural speech she thanked the Union Ministry of Youth Affairs and Sports for giving the college the opportunity to host this prestigious event. She also urged the youths to take part in nation building activities and join hands to expedite the process of socio-economic development of the country.

More than fifty student participants from different colleges of Kamrup (M) took part in the festival. In their deliberations in the mock parliament speech competition, the students expressed different views on issues like terrorism, economic development, Beti Bachao Beti Padhao and Swachh Bharat Abhiyan.

The jury members of the youth parliament were artist Madhusudan Das, retired police officer Ujjal Baruah, assistant professors Dr Mrinmoyee Baruah and Dr Anup Kumar Deka and social worker Bhaskar Jyoti Das. The programme officer of the college's NSS unit Dr Nurul Islam coordinated the entire event.

THE ASSAM TRIBUNE,

TUESDAY, FEBRUARY 5, 2019

**Cancer Day at city college:** Karmashree Hiteswar Saikia College observed World Cancer Day in collaboration with ACCF. A poster-making competition was held where over 30 students of the college took part. Kabita Patgiri, Aditi Bashyas, RK Lili Sana, Abu Taleb Jahingir Alam and Chayanika Ray were the first five winners in the competition.

৮ ফেব্রুৱাৰী, ২০১৯ শুকুৰবাৰ, গুৱাহাটী
আমাৰ অসম

## কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত গ্ৰন্থ প্ৰদৰ্শনী

ষ্টাফেনপাৰাৰ প্ৰতিবেদক, ৭ ফেব্ৰুৱাৰী : মহানগৰীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ উমাচৰণ বৰিয়া লাইব্ৰেৰী এণ্ড এডুকেশ্বন চেণ্টাৰত ১২ আৰু ১৩ ফেব্ৰুৱাৰীত এখন গ্ৰন্থ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। প্ৰদৰ্শনীখন উন্মোচন কৰিব মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰে।

DAINIK ASAM, Guwahati, Monday, February 11, 2019

## কুমুদ চন্দ্ৰ ডেকা সোঁৱৰণী মঞ্চ মুকলি

মহানগৰ বাতৰি সেৱা

নাৰেংগী, ১০ ফেব্ৰুৱাৰী : ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত প্ৰাক্তন আৰক্ষী বিষয়া প্ৰয়াত কুমুদ চন্দ্ৰ ডেকা সোঁৱৰণী মঞ্চখন ৯ ফেব্ৰুৱাৰীত মুকলি কৰে প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান গুণোত্তম ভূঞাই। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে প্ৰয়াত ডেকাৰ পত্নী মিনু ডেকা আৰু পৰিয়ালবৰ্গৰ লগতে বি বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সত্যেন্দ্ৰ নাথ বৰ্মণ আৰু সোণাপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱব্ৰত খনিকৰে। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষা ডঃ শিখামণি কোঁৱৰে আদৰণী ভাষণ দি প্ৰয়াত কুমুদ চন্দ্ৰ ডেকাৰ ব্যক্তিত্ব, কৰ্তব্যপৰায়ণতা আৰু সহজ-সৰল চৰিত্ৰৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ মহিলা কোষৰ 'দি ৱিক' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই। প্ৰয়াত কুমুদ চন্দ্ৰ ডেকাৰ 'স্মৃতিৰ সঁফুৰা' উন্মোচন কৰি গুণোত্তম ভূঞাই দক্ষ আৰক্ষী বিষয়া প্ৰয়াত ডেকাৰ কৰ্মজীৱনৰ বিষয়ে কয়। তদুপৰি 'সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ জীৱন আৰু কৰ্মৰাজিৰ এলানি প্ৰবন্ধ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উপ-সভাপতি সূৰ্য হাজৰিকাই। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগে প্ৰকাশ কৰা 'এ ৰিফ্লেকচন অন উইলিয়াম শ্বেইক্সপীয়েৰ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক ডঃ দিলীপ বৰাই। অনুষ্ঠানত প্ৰয়াত ডেকাৰ জ্যেষ্ঠ পুত্ৰ তথা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ডঃ অনুপ ডেকাই পিতৃৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। অধ্যাপিকা ইন্দ্ৰাণী গগৈ পানীফুকনে পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত পৰিৱেশন কৰে। অনুষ্ঠানৰ অন্ত পেলায় সহকাৰী অধ্যাপিকা ডঃ মৰমী চৌধুৰীয়ে।

SUNDAY, FEBRUARY 10, 2019

THE ASSAM TRIBUNE, GUWAHATI

# Retired police officer's family donates memorial stage to college



GUWAHATI, Feb 9: The Kumud Ch Deka Memorial Open Stage was inaugurated today at Karmashree Hiteswar Saikia College here today by Gunuttam Bhuyan, former director general of police, Assam.

The stage has been donated by Minu Deka and her family in memory of her husband the late Kumud Ch Deka, who was a retired police officer. A commemorative book titled *Kumud Ch Deka Smritir Saphura*, was also released on the occasion by Bhuyan. He also spoke on different aspects of the life and works of Kumud Ch Deka.

The programme was also attended by author, publisher and Vice Chairman of the Srimanta Sankaradeva Kalakshetra Surya Hazarika; Prof Dilip Bora of Gauhati University; Pritom Saikia, Commissioner and Secretary, Dept of Cultural Affairs, Govt of Assam; Dr Anuradha Sarma of Gauhati University; Dr Satyendra Nath Barman, Principal of B Borooah College; Dr Devabrot Khanikor, Principal, Sonapur College, Minu Deka and many other distinguished guests, teachers and students.

Speaking on the occasion Surya Hazarika applauded the college for making much progress within the very little span of time from its inception. He hoped that the open stage would be an added advantage for the students of the college. He donated Srimanta Sankaradeva Kalakshetra's publication *Sankar Dev's Kirtan Gaxa* and some other valuable books to the college.

On the occasion, three books prepared by the college – *Sahitya Kandari Padmanath Gohain Boruar Jiban aru Karma Rajir Elani Prabandha*, *The Wick* and *A Reflection on William Shakespeare* – were also released by Surya Hazarika, Pritom Saikia, and Prof Dilip Bora respectively.

In her welcome speech, Principal of the college Dr Sikhamoni Konwar said the stage would benefit the student community and society at large. She expressed her gratitude to the family of the late Kumud Ch Deka for donating the open stage to the college.

The college's Asst Professor Indrani Gogoi Paniphukan sang a song to mark the occasion. Kumud Ch Deka's elder brother Mathura Mohan Deka and son Dr Anup Kumar Deka also spoke on the occasion. The programme was anchored by Asst Professor Marami Choudhury.

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ দেওবাৰ, ১০ ফেব্ৰুৱাৰী, ২০১৯/২৬ মাঘ, ১৯৪০ শক

## কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়

# কুমুদ চন্দ্ৰ ডেকা সোঁৱৰণী মুকলি মঞ্চ উদ্বোধন

গুৱাহাটী, ৯ ফেব্ৰুৱাৰী : ছামাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত আৰক্ষী বিষয়া কুমুদ চন্দ্ৰ ডেকাৰ পৰিয়ালে দান কৰা কুমুদ চন্দ্ৰ ডেকা সোঁৱৰণী মঞ্চ আজি অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালকপ্ৰধান গুণোত্তম ভূঞাই উদ্বোধন কৰে। অনুষ্ঠানত প্ৰয়াত আৰক্ষী বিষয়াগৰাকীৰ পৰিয়াল, নিমন্ত্ৰিত অতিথি, বি বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যেন্দ্ৰনাথ বৰ্মন, সোণাপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত খনিকৰ আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। অনুষ্ঠানত অধ্যক্ষ ড° শিখামণি কোঁৱৰে আদৰণী ভাষণ দিয়াৰ লগতে প্ৰয়াত কুমুদ চন্দ্ৰ ডেকাৰ জীৱন সম্পৰ্কত আলোকপাত কৰে। অসম সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত-সচিব প্ৰীতম শইকীয়াই মহিলা কোষৰ 'দা উইক' গ্ৰন্থখন উন্মোচন কৰে। কুমুদ চন্দ্ৰ ডেকাৰ 'স্মৃতিৰ সঁফুৰা' উন্মোচন কৰে গুণোত্তম ভূঞাই। 'সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ জীৱন আৰু কৰ্মৰাজিৰ এলানি প্ৰবন্ধ' গ্ৰন্থখন উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উপ-সভাপতি পদ্মশ্ৰী সূৰ্য হাজৰিকাই। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগে প্ৰকাশ কৰা 'এ ৰিফ্লেকচন অন উইলিয়াম শ্বেক্সপীয়েৰ' গ্ৰন্থখন উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক ড° দিলীপ বৰাই।



THE ASSAM TRIBUNE, GUWAHATI

SUNDAY, FEBRUARY 24, 2019

# Workshop on scientific and technical terminology in social sciences

GUWAHATI, Feb 23: The Department of Political Science, Karmashree Hiteswar Saikia College here organised a national workshop on use of scientific and technical terminology in social sciences on February 22 and 23 in the college premises, said a press release.

The workshop was sponsored by the Commission for Scientific & Technical Terminology (CSTT), Ministry of Human Resource Development, Govt of India.

A host of resource persons from as many as five universities of the country took part in the event. They included Prof AK Thakur from NEHU, Meghalaya; Prof Akhil Ranjan Dutta, Prof Dulumoni Goswami and Dr Jayanta Krishna Sharma from Gauhati University; Dr Anushabd from Tezpur University; Dr Dibya Jyoti Datta from Dibrugarh University and Dr Manashi Gogoi Borgohain, Vice Principal of NLB City College, Dibrugarh.

The workshop was inaugurated by Cotton University Vice Chancellor Prof Bhabesh Goswami in the presence of Dr BK Singh, Asst Director CSTT; Dr Shahzad Ahmed Ansari, Asst Scientific Officer CSTT; Dr Naved Jamal, Jamia Milia Islamia University, New Delhi and Dr Sikhamoni Konwar, Principal, Karmashree Hiteswar Saikia College.

A book titled *Space Science Fundamental Glossary* (English-Hindi) was also inaugurated on the occasion.

The valedictory session of the workshop was attended among others, by Prof Avanish Kumar, Chairman CSTT and Dr Dipankar Sarmah, MDKG College, Dibrugarh. Altogether a hundred teachers from different colleges of the State participated in the workshop.

নিয়মীয়া বাৰ্তা

বুধবাৰ, ২৭ ফেব্ৰুৱাৰী ২০১৯

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় কৰ্মশালা সম্পন্ন

নিয়মীয়া বাৰ্তা, ২৬ ফেব্ৰুৱাৰী : গুৱাহাটীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত যোৱা ২২ আৰু ২৩ ফেব্ৰুৱাৰীত ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ উচ্চ শিক্ষা বিভাগৰ বৈজ্ঞানিক তথা কাৰিকৰী শব্দাৱলী আয়োগৰ অধীনত অনুষ্ঠিত দুদিনীয়া কৰ্মশালাখনি শুভাৰম্ভ কৰে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক ভবেশ গোস্বামীয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে আদৰণী ভাষণ দিয়ে। সমল ব্যক্তি হিচাপে মেঘালয় নেহু বিশ্ববিদ্যালয়ৰ অধ্যাপক এ কে ঠাকুৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক অখিল ৰঞ্জন দত্ত, অধ্যাপক দুলুমণি গোস্বামী আৰু ড° জয়ন্ত কৃষ্ণ শৰ্মা, তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° অনুশব্দ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° দিব্যজ্যোতি দত্ত আৰু ডিব্ৰুগড়ৰ এনএলবি চিটি কলেজৰ উপাধ্যক্ষা মানসী গগৈ বৰগোহাঁই উপস্থিত থাকে। কৰ্মশালাত ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ বিজ্ঞানী তথা কাৰিকৰী শব্দাৱলী আয়োগৰ সহকাৰী সঞ্চালক ড° বি কে সিং, সহকাৰী বিজ্ঞান বিষয়া ড° চাহজাদ আহমেদ আনছাৰি, জামিয়া মিলিয়া ইছলামীয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° নাভেদ জামাল বক্তব্য আগবঢ়ায়। ২৩ ফেব্ৰুৱাৰীত 'Space Science Fundamental Glossary' উন্মোচন কৰা হয়।

দৈনিক অসম, গুৱাহাটী, শনিবাৰ, ৩০ মাৰ্চ, ২০১৯

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠানৰ সামৰণি

মহানগৰ ৰাতৰি সেৱা

গুৱাহাটী, ২৯ মাৰ্চ ঃ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ভাৰতীয় দৰ্শন আৰু গৱেষণা পৰিষদৰ অধীনত দৰ্শন বিভাগৰ উদ্যোগত মহাবিদ্যালয়ত দুদিনীয়াকৈ আয়োজিত বক্তৃতানুষ্ঠানৰ আজি সামৰণি পৰে। ২৮ মাৰ্চত বন্তি প্ৰজ্বলনেৰে বক্তৃতানুষ্ঠানৰ শুভাৰম্ভ কৰে অধ্যক্ষা ড° শিখামণি কোঁৱৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° মনীষা বৰুৱাই। অধ্যক্ষা ড° কোঁৱৰৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানত অধ্যাপিকা মনীষা বৰুৱাই 'Religions of the world– Unity in Diversity' শীৰ্ষক বিষয়ত বক্তৃতা দিয়ে। তেওঁ পৃথিৱীৰ ধৰ্ম আৰু অনৈক্যৰ মাজত ঐক্যৰ বিষয়ে বক্তৃতা দি মন্তব্য কৰে যে সকলো ধৰ্মতে শান্তিৰ কথা কোৱা হৈছে। সেইদিনাই দিনৰ ১২-৩০ বজাত 'Nature of knowledge' বিষয়ত কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ খাটনিয়াৰে বক্তব্য আগবঢ়ায়। আনহাতে, আজিৰ বক্তৃতাৰ বিষয়বস্তু আছিল 'Peace and conflict Resolution; A Gandhian Approach'। এই বক্তৃতা দিয়ে কটন বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° জগদীশ পাটগিৰিয়ে। অধ্যাপক পাটগিৰীয়ে তেওঁৰ বক্তৃতাত মানুহৰ নীতি, জ্ঞান, শান্তি, ভাৰতীয় বেদ-বেদান্ত, গীতা, নাট্য শাস্ত্ৰ, গান্ধীবাদ, বৌদ্ধ দৰ্শন ইত্যাদি দিশত অৱলোকন কৰি বিশ্ব শান্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰে।

৩০ মাৰ্চ, ২০১৯ শনিবাৰ, গুৱাহাটী
আমাৰ অসম

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

ধীৰেনপাৰাৰ প্ৰতিবেদক, ২৯ মাৰ্চ ঃ মহানগৰীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ভাৰতীয় দৰ্শন আৰু গৱেষণা পৰিষদৰ অধীনত দৰ্শন বিভাগৰ উদ্যোগত বৃহস্পতিবাৰ আৰু শুকুৰবাৰে এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বৃহস্পতিবাৰে বন্তি প্ৰজ্বলনেৰে বক্তৃতানুষ্ঠানৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° মনীষা বৰুৱাই 'ৰেভিজিয়াছ অৱ দ্য ৱৰ্ল্ড ইউনিটি ইন ডাইভাৰ্ছিটি' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। ইয়াৰ পিছত 'নেচাৰ অৱ নলেজ' শীৰ্ষক বিষয়ত কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ খাটনিয়াৰে আলোকপাত কৰে। শুকুৰবাৰে 'পিচ এণ্ড কনফ্লিক্ট ৰিজ'লিউশ্বন, এ গান্ধী এপ্ৰোচ' বিষয়ত কটন বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° জগদীশ পাটগিৰিয়ে বক্তৃতা প্ৰদান কৰে। দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৰমী চৌধুৰীয়ে আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় বিভাগৰ অধ্যাপক ড° নুৰুল ইছলামে।

THURSDAY, APRIL 11, 2019

8 THE ASSAM TRIBUNE, GUWAHATI

# Book on William Shakespeare

GUWAHATI, April 10: Karmashree Hiteswar Saikia College, Guwahati, recently published *Reflections on William Shakespeare*, a book edited by Dr Anup Kumar Deka, which contains 18 essays that touch upon the variety of Shakespeare's oeuvre, ranging from his sonnets to his plays, informs a press release issued here today.

নিয়মীয়া বাৰ্তা
সোমবাৰ, ১ জুলাই ২০১৯

# স্বচ্ছ ভাৰত অভিযান কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ক শ্ৰেষ্ঠ বঁটা প্ৰদান

মহানগৰ বাৰ্তা, ৩০ জুন ঃ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ে ৰাজ্য চৰকাৰৰ মিনিষ্ট্ৰী অব ড্ৰিংকিং ৱাটাৰ এণ্ড ছেনিটেচনৰ অধীনত স্বচ্ছ ভাৰত ছামাৰ ইণ্টাৰ্নছিপ ২০১৮ত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ দলৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। এই অভিযানৰ অংশ হিচাপে মহাবিদ্যালয়খনৰ এন এছ এছ গোটৰ ২৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মহানগৰীৰ পাৰ্শ্ববৰ্তী পানীখাইতী অঞ্চলত স্বচ্ছতা অভিযান চলাইছিল। স্বচ্ছ ভাৰত অভিযানৰ প্ৰতি ৰাইজক সজাগ কৰাৰ লক্ষ্যৰে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে অঞ্চলটোৰ বিভিন্ন স্থানত চাফাই অভিযান চলোৱাৰ লগতে চিত্ৰাংকন, কুইজ, আকস্মিক বক্তৃতা প্ৰতিযোগিতাকে ধৰি গছপুলি ৰোপণ, ৰক্তদান আদি কাৰ্যসূচী গ্ৰহণ কৰি সুকলমে অনুষ্ঠিত কৰিছিল। কালি কামৰূপ (মহানগৰ) জিলা প্ৰশাসনে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত আনুষ্ঠানিকভাৱে শ্ৰেষ্ঠত্বৰ পুৰস্কাৰ প্ৰদান কৰে। এই বঁটাত আছে নগদ ১৫ হাজাৰ টকা আৰু প্ৰমাণ-পত্ৰ। এই বঁটা প্ৰদান অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰ, কাৰ্যবাহী অভিযন্তা দিগন্ত কুমাৰ বৰুৱা, প্ৰকাশ হালৈকে ধৰি মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

SUNDAY, JUNE 30, 2019

THE ASSAM TRIBUNE, GUWAHATI

# City college awarded for service under Swachh Bharat prog

GUWAHATI, June 29: City's Karmashree Hiteswar Saikia College has won the best college team award in Kamrup Metro for participating in and rendering 100-hour service in Panikhaiti village under "Swachh Bharat Summer Internship 2018" programme.

According to a press release, the award was given away at a programme organised by the Kamrup (M) district administration in the college auditorium today.

Altogether 25 students of the college's NSS unit under the supervision of Dr Nurul Islam, the NSS Programme Officer of the college, took part in the summer internship programme. The award consists of Rs 15,000 in cash and a certificate of appreciation.

The award function was attended by DK Baruah, Executive Engineer PHED and Member Secretary of Kamrup Metro District Water and Sanitation Committee; Prakash Haloi, SDO, PHED and many other dignitaries, teachers and students.

The programme was organised under the Ministry of Drinking Water and Sanitation, Govt of India. Speaking on the occasion, Dr Sikhamoni Konwar, Principal of the college, said such prestigious awards would boost the morale of the students and teachers and act as a propeller in the college's efforts to serve society.

★★★ ১ জুলাই, ২০১৯ সোমবাৰ, গুৱাহাটী

আমাৰ অসম

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়লৈ স্বচ্ছ ভাৰত অভিযানৰ শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ

**বেলতলাৰ প্ৰতিবেদক, ৩০ জুন ঃ** গুৱাহাটী মহানগৰীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ে স্বচ্ছ ভাৰত অভিযানৰ অধীনত ছামাৰ ইন্টাৰ্নশ্বিপ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ দল হিচাপে পুৰস্কৃত হৈছে। অভিযানটোত মহাবিদ্যালয়খনৰ এন এছ এছ গোটৰ ২৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সমন্বয়ক ড° নুৰুল ইছলামৰ নেতৃত্বত এশঘণ্টীয়া ইন্টাৰ্নশ্বিপ প্ৰগ্ৰামত অংশগ্ৰহণ কৰি গুৱাহাটী মহানগৰীৰ পাৰ্শ্ববৰ্তী অঞ্চল পানীখাইতীত স্বচ্ছতা অভিযান আগবঢ়াইছিল। দলটোৱে পানীখাইতীৰ শ্বহীদ কুশল কোঁৱৰ হাইস্কুলত থিতাপি লৈ সেই অঞ্চলৰ বহু ঠাইত স্বচ্ছতা অভিযান চলাইছিল। কামৰূপ (মহানগৰ) জিলা প্ৰশাসনে শনিবাৰে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা অনুষ্ঠানত নগদ পোন্ধৰ হাজাৰ টকা আৰু প্ৰমাণ-পত্ৰ প্ৰদান কৰে।

# পশ্চিম গুৱাহাটী লেখিকা সংস্থাৰ অধিৱেশন

**কামাখ্যাৰ প্ৰতিবেদক, ৩০ জুন ঃ** পশ্চিম গুৱাহাটী লেখিকা সংস্থাৰ একাদশ দ্বি-বাৰ্ষিক মূল অধিৱেশনখন ৩ জুলাইত দিনজোৰাকৈ গুৱাহাটীৰ লক্ষীৰাম বৰুৱা সদনত আয়োজন কৰা হৈছে। দিনৰ ২ বজাত আৰম্ভ হ'বলগীয়া সভাৰ আৰম্ভণিতে সভা উদ্বোধন কৰিব অসম লেখিকা সংস্থাৰ সভানেত্ৰী মঞ্জুলা শৰ্মা ভট্টাচাৰ্যই। অনুষ্ঠানত বিশিষ্ট শিশু-সাহিত্যিক হৰপ্ৰিয়া বৰুকিয়াল বৰগোহাঞিক বিশেষ সম্বৰ্ধনা জনোৱা হ'ব। সেইদৰে অনুষ্ঠানত শাখাৰ মুখপত্ৰ 'বৰ্ণিল যাত্ৰা' উন্মোচন কৰিব অসম লেখিকা সংস্থাৰ প্ৰধান সম্পাদিকা নিৰু শৰ্মা পৰাজুলিয়ে। অনুষ্ঠানত শিশু ডিপ্লোমাৰ প্ৰতিযোগিতাৰ বঁটা বিতৰণ তথা কবিতা পাঠৰো কাৰ্যসূচী সন্নিবিষ্ট কৰা হৈছে।

THE ASSAM TRIBUNE, GUWAHATI

SATURDAY, AUGUST 3, 2019

# Award to city college principal

GUWAHATI, Aug 2: Dr Sikhamoni Konwar, Principal of Karmashree Hiteswar Saikia College here, has been awarded the Barak-Brahmaputra Samannai Bata-2019 by leading cultural organisation Kareng Ghar for her significant contribution in the field of education, according to a press release.

Dr Konwar has been continuously writing research papers for different national and international seminars and journals reflecting different historical and cultural aspects of Assam. She has also been successfully playing a key role in the development of her college from its nascent stage for over twenty-five years.

২১৯

Gu

THE ASSAM TRIBUNE, GUWAHATI
SUNDAY, AUGUST 18, 2019

# Lecture session on intellectual property rights at city college

GUWAHATI, Aug 17: Karmashree Hiteswar Saikia College's Internal Quality Assurance Cell organised a lecture session on Intellectual Property Rights today on the college premises, according to a press release.

Prof Romesh Ch Borpatra Gohain, Advocate General, Govt of Assam who inaugurated the session, laid stress on the fact that if science and technology are not controlled by spiritual power, a day will come when there will be total annihilation of mankind from this world. The misuse of technologies has endangered many indigenous intellectual properties vis-a-vis their original source. The intellectual property rights would go a long way in protecting such intellectual properties, he said.

Lectures were also delivered by lawyers Anee Das and Prakreetish Sarma on the fundamentals of intellectual property rights, copyright laws under intellectual property rights and trademark laws under intellectual property rights.

Earlier, welcoming the guests, Principal of the host college Dr Sikhamoni Konwar, spoke on the importance of intellectual property rights in the face of the globalisation and rapid spread of information technology. She called for proper implementation of intellectual property rights for safeguarding intellectual properties and preventing their misuse and corruption. The lecture session was attended by the students and teachers of the college.

নিয়মীয়া বাৰ্তা
দেওবাৰ, ১৮ আগষ্ট ২০১৯

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন

মহানগৰ বাৰ্তা, ১৭ আগষ্ট : কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত 'বৌদ্ধিক সম্পত্তিৰ অধিকাৰ' শীৰ্ষক এখন বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। এই বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ মহাধিবক্তা তথা বিশিষ্ট আইনবিদ ৰমেশ চন্দ্ৰ বৰপাত্ৰ গোহাঁইয়ে ভাৰতত জৈৱ বৈচিত্ৰ্য ৰক্ষা কৰিহে মানুহে মানৱ সমাজৰ উন্নতিৰ কথা ভবা উচিত বুলি মন্তব্য কৰে। তেওঁ লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক আধ্যাত্মিক শক্তিৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে ভৱিষ্যতে মানৱতা ৰক্ষা কৰাটো অসম্ভৱ হৈ পৰিব বুলিও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। অনুষ্ঠানত অধিবক্তা এনি দাসে 'ক'পী ৰাইট'ৰ ওপৰত বক্তব্য প্ৰদান কৰি সংগীত, সাহিত্য, আহি নিৰ্মাণ, নাটক ইত্যাদিৰ ক্ষেত্ৰত হ'ব পৰা জালিয়াতি কেনেদৰে আইনগত ব্যৱস্থাৰে সুৰক্ষা দিব পাৰি সেই সন্দৰ্ভত বিস্তৃতভাৱে উল্লেখ কৰে। বক্তৃতানুষ্ঠানত অধিবক্তা প্ৰাকৃতিশ শৰ্মাই ট্ৰেড মাৰ্কৰ ওপৰত বক্তৃতা আগবঢ়ায়। মহাবিদ্যালয়খনৰ আইকিউএচিয়ে আয়োজন কৰা এই বক্তৃতানুষ্ঠানত আদৰণী ভাষণ দিয়ে অধ্যক্ষ ড° শিখামণি কোঁৱৰে। অধ্যাপক ড° অনুপ কুমাৰ ডেকাই আঁত ধৰা এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

২৬ আগষ্ট, ২০১৯ সোমবাৰ, গুৱাহাটী
আমাৰ অসম

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত 'বৌদ্ধিক সম্পত্তি অধিকাৰ' শীৰ্ষক বক্তৃতানুষ্ঠান

ভক্ৰাপাড়াৰ প্ৰতিবেদক : গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত অনুষ্ঠিত 'বৌদ্ধিক সম্পত্তি অধিকাৰ' শীৰ্ষক বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে অসম চৰকাৰৰ মহাধিবক্তা অধ্যাপক ৰমেশ চন্দ্ৰ বৰপাত্ৰ গোহাঁয়ে মন্তব্য কৰে— 'জৈৱ- বৈচিত্ৰ্য ৰক্ষা কৰিহে মানুহে মানৱ সমাজৰ উন্নতিৰ কথা ভবা উচিত'। বিষয়টোৰ ওপৰত আলোকপাত কৰি তেওঁ মন্তব্য কৰে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক যদি আমি আধ্যাত্মিক শক্তিৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰোঁ, তেন্তে ভৱিষ্যতে মানৱতা ৰক্ষা কৰাটো অসম্ভৱ হৈ পৰিব। মহাধিবক্তাগৰাকীয়ে সাৰ্বজনীন মানৱ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অধিবক্তা এনী দাসে তেওঁৰ বক্তব্যত 'কপী ৰাইট'ৰ ওপৰত বক্তব্য দাঙি ধৰে। অধিবক্তা প্ৰাকৃতিশ শৰ্মাই বক্তব্যত বিশেষকৈ ট্ৰেড মাৰ্কৰ বিষয়ে আলোচনা কৰে। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ আই কিউ এ চিয়ে আয়োজন কৰা বক্তৃতানুষ্ঠানৰ আদৰণী ভাষণত অধ্যক্ষ ড° শিখামণি কোঁৱৰে নিমন্ত্ৰিত বক্তাসকলক আদৰণি জনায়। বক্তৃতানুষ্ঠানটোৰ আঁত ধৰে ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° অনুপ কুমাৰ ডেকাই।

২ ছেপ্টেম্বৰ, ২০১৯ সোমবাৰ, গুৱাহাটী
আমাৰ অসম

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত 'ছেভেন কীজ্ টু ছাক্চেছ' শীৰ্ষক বক্তৃতানুষ্ঠান

**ভডাগড়ৰ প্ৰতিবেদক :** গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয় প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত ২১ আগষ্টত 'ছেভেন কিজ্ টু ছাক্চেছ' শীৰ্ষক বক্তৃতানুষ্ঠানত ট্ৰেইনাৰ এণ্ড মটিভেশ্বনেল স্পীকাৰ সুনীল কুমাৰ বসুমতাৰীয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সদস্যসকলৰ উদ্দেশ্যে বক্তৃতা প্ৰদান কৰে। মানৱ জীৱনত সফলতা লাভ কৰাৰ সাতটা উপায় সম্পৰ্কে তেওঁ বক্তব্য উপস্থাপন কৰে। অধ্যক্ষ ড° শিখামণি কোঁৱৰে অনুষ্ঠানৰ আৰম্ভণিতে ব্যক্ত কৰে যে বৰ্তমান সময় আৰু পৃথিৱী যিদৰে পৰিবৰ্তন হৈছে, তেনে ক্ষণত এই ধৰণৰ বক্তৃতাই ছাত্ৰ সমাজক সময়োপযোগী কৰি তুলিব। বক্তৃতানুষ্ঠানত মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ সমন্বয়ক ড° নুৰুল ইছলাম আৰু সমূহ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

**ভডাগড়ৰ প্ৰতিবেদক :** গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাখন অলপতে কুমুদ চন্দ্ৰ ডেকা সোঁৱৰণী মঞ্চত অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলনৰ পাছতে অধ্যক্ষ ড° শিখামণি কোঁৱৰে আদৰণী ভাষণত নৱাগতসকলক আদৰণি জনাই মহাবিদ্যালয়খনৰ ঐতিহ্যৰ বিষয়ে অৱগত কৰে। তেওঁ মন্তব্য কৰে— কঠোৰ পৰিশ্ৰম অবিহনে কোনেও সফলতা লাভ কৰিব নোৱাৰে। উপাধ্যক্ষ ড° মৌচুমী বৰদলৈ হাজৰিকাই ভাষণত ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত মানুহ হ'বলৈ প্ৰেৰণা যোগায়। ড° হেমপ্ৰভা শইকীয়া আৰু ড° অম্বুৰাম গগৈয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্য কৰি বক্তব্য দাঙি দৰে। মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতকৰ বঁটা প্ৰদান কৰা হয় এই সভাতে। এই বঁটা লাভ কৰে ছাত্ৰ পৰাশৰ মিশ্ৰ আৰু ছাত্ৰী নিহাৰিকা দাসে। হৰমোহন বৰকাকতিৰ পত্নী নলিনী বৰকাকতিয়ে ছাত্ৰ-ছাত্ৰীক দুআষাৰ কৈ ইংৰাজী বিভাগৰ ছাত্ৰ পৰাশৰ মিশ্ৰক হৰমোহন বৰকাকতি বঁটা প্ৰদান কৰে। এই বঁটাত আছে এখন মান-পত্ৰ, এটা মেডেল আৰু নগদ পাঁচ হাজাৰ টকা। অঞ্জু গগৈয়ে ছাত্ৰ-ছাত্ৰীৰ আগত বক্তব্য দাঙি ধৰি মনোবিজ্ঞান বিভাগৰ ছাত্ৰী নিহাৰিকা দাসক দণ্ডেশ্বৰ গগৈ সোঁৱৰণী বঁটা প্ৰদান কৰে। এই বঁটাত আছে এখন মানপত্ৰ, এপাহ গোলাপ ফুল আৰু নগদ ১৫০০ টকা। ২০১৮ বৰ্ষৰ মিছ ডিভা অব ইণ্ডিয়া ইউনিভাৰ্ছ বঁটা কঢ়িয়াই অনা বাণিজ্য বিভাগৰ ছাত্ৰী মেৰী শইকীয়াক এই সভাত সম্বৰ্ধনা জনোৱা হয়। মৰক্কোত অনুষ্ঠিত বিশ্ব আয়ন বল প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভেৰে সম্মান কঢ়িয়াই অনা ছাত্ৰ নৱজ্যোতি বৈশ্যকো সম্বৰ্ধনা জনোৱা হয়। নৱাগত আদৰণী সভাৰ সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয় ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰা মহাবিদ্যালয় সংগীতেৰে। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ নৃত্য-গীতেৰে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

৬ ছেপ্টেম্বৰ, ২০১৯ শুকুৰবাৰ, গুৱাহাটী

আমাৰ অসম

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত 'পৰিষ্কাৰ আৰু সেউজ গুৱাহাটী' কাৰ্যসূচী

**ভঙাগড়ৰ প্ৰতিবেদক, ৫ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বৃহস্পতিবাৰে গুৱাহাটী স্মাৰ্ট চিটী লিমিটেডৰ অধীনত 'পৰিষ্কাৰ আৰু সেউজ গুৱাহাটী'ৰ উদ্দেশ্যে এশদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কথাৰে সকলোৰে মাজত সজাগতা সম্পৰ্কে চমু বক্তব্য দাঙি ধৰে। সভাত অধ্যক্ষ ড° শিখামণি কোঁৱৰে উপস্থিত সকলোকে আদৰণি জনায়। সভাত গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেবেশ্বৰ মালাকাৰে স্মাৰ্ট চিটী আৰু গুৱাহাটী উন্নয়নৰ সঞ্চালক মলয় বৰাই বক্তব্য প্ৰদান কৰে।

THE ASSAM TRIBUNE, GUWAHATI

FRIDAY, SEPTEMBER 6, 2019




***Guwahati Smart City Limited** has launched a program along with Guwahati Municipal Corporation to keep the city clean and green. A meeting along with tree plantation drive was organised on 5th September, 2019 at Karmashree Hiteswar Saikia College. Sri Siddhartha Bhattacharya Hon'ble Minister Guwahati Development Department, Education etc. chaired the program along with CEO GMDA and MD Guwahati Smart City Limited, Commissioner Guwahati Municipal Corporation and Principal, staff and students of the college. In his speech, Hon'ble Minister requested everyone to keep the city clean and stressed upon the ban of plastic and plastic products. A Plantation drive was carried out for the said program. The vote of thanks was offered by Principal of the college.*

Advt.

# UC Bania lecture at city college

GUWAHATI, Sept 13: Karmashree Hiteswar Saikia College here organised a lecture on "Knowledge of Self" today on the occasion of the 87th birth anniversary of the late Uma Charan Bania in whose memory the college's Uma Charan Bania Library and Education Centre was founded.

According to a press release, the lecture was delivered by social entrepreneur Dipankar Mahanta who said that today's world is a world of knowledge. He further said, "Our knowledge of the material world would be immaterial to us if we fail to delve into our self and explore the divinity in us. We must transcend the limitations of our sense perception and know the true purpose of our life and existence."

Earlier, college Principal Dr Sikhamoni Konwar delivered a commemorative lecture throwing light on different aspects of Uma Charan Bania's life and works. She also acknowledged the contributions and the valued association of the late Bania's family with the college from its very formative stage. Manoranjan Banikya, brother of the late Bania also spoke on the occasion.

The lecture programme was attended by former minister Dr Hemoprava Saikia; Additional Chief Secretary Kumar Sanjay Krishna; Rajib Baruah; Jita Rani Khanikar; teachers and students of the college. Indrani Gogoi Paniphukan, Assistant Professor of economics and student Pritam Das enthralled the audience with beautiful songs.

The function was anchored by Dr Marami Choudhury, Assistant Professor of philosophy, who also gave the vote of thanks, the release added.

### উমাচৰণ বণিয়াৰ ৮৭সংখ্যক জন্মদিন উদ্‌যাপন

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

মহানগৰ বাৰ্তা, ১৩ ছেপ্টেম্বৰ ঃ উমাচৰণ বণিয়া লাইব্ৰেৰী আৰু অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কলেজত উমাচৰণ বণিয়াৰ ৮৭সংখ্যক জন্ম দিৱস অনুষ্ঠান উদ্‌যাপিত হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি 'knowledge of self' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অধ্যক্ষা ড° শিখামণি কোঁৱৰে আদৰণী ভাষণত উমাচৰণ বণিয়াৰ জীৱনৰ ওপৰত চমু আলোকপাত কৰি ছাত্ৰ-ছাত্ৰীসকলক আত্মজ্ঞানৰ কথা উল্লেখ কৰে। মুখ্য বক্তা উদ্যোগপতি দীপাংকৰ মহন্তই শ্ৰীমন্ত শংকৰদেৱ, বিবেকানন্দ, ভূপেন হাজৰিকাৰ মানৱতাৰ কথা উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিতেই অধ্যাপিকা ইন্দ্ৰাণী গগৈ আৰু ছাত্ৰ প্ৰীতম দাসে আধুনিক গীতেৰে সভাৰ গাম্ভীৰ্য বৃদ্ধি কৰে। অনুষ্ঠানত উপস্থিত থাকে ড° হেমপ্ৰভা শইকীয়া, ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া কুমাৰ সঞ্জয় কৃষ্ণ, ৰাজীৱ বৰুৱা, মনোৰঞ্জন বণিক্য।

নিয়মীয়া বাৰ্তা

মঙলবাৰ, ১৭ ছেপ্টেম্বৰ ২০১৯

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত সংগীত প্ৰতিযোগিতা

গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ গুৱাহাটীৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান পাঞ্জাবাৰী ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত অহা ৩ অক্টোবৰত জয়ন্ত হাজৰিকাৰ সোঁৱৰণত সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় জয়ন্ত সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগীক ক্ৰমে ৫০০০, ৪০০০, ৩০০০ টকাৰে পুৰস্কৃত কৰাৰ লগতে এগৰাকী প্ৰতিযোগীক উদ্‌গনিমূলক বঁটা হিচাপে ২০০০ টকা আৰু প্ৰমাণ-পত্ৰ দিয়া হ'ব। প্ৰতিযোগিতা দিনৰ ১২ বজাৰ পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হ'ব। উক্ত প্ৰতিযোগিতাত প্ৰতিখন মহাবিদ্যালয়ৰ পৰা দুগৰাকীকৈ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব। এক প্ৰেছ বিজ্ঞপ্তিযোগে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে এই কথা জনাইছে। প্ৰতিযোগিতাৰ সবিশেষ জানিবৰ বাবে ৮৭২৪৯-০৩৩৭৯, ৯৪৩৫৭-০৬৩৬২ নম্বৰত যোগাযোগ কৰিব পাৰিব।

The Assam Tribune

SUNDAY, SEPTEMBER 22, 2019

## Singing contest

GUWAHATI, Sept 21: Karmashree Hiteswar Saikia College is organising an all Assam inter-college singing competition in memory of Jayanta Hazarika, on October 3 in the college auditorium.

Two participants from each college will be eligible to participate in the competition. Winners will receive cash awards along with certificates. A consolation prize will also be awarded. Interested participants can contact the college authorities on 8724903379 and 9435706362, a release said.

The Assam Tribune

FRIDAY, SEPTEMBER 20, 2019

# 31st foundation day of city college

GUWAHATI, Sept 19: Karmashree Hiteswar Saikia College here celebrated its 31st foundation day today.

According to a press release, the occasion was marked by a lecture on the topic "Ajir Samajar Prati Natun Prajanmar Karania". It was delivered by Dr Aparajita Borkatoki, former dean, Faculty of Science, Gauhati University.

Dr Borkatoki called upon the students to embrace the diversity of society, while at the same time, being inspired by the spirit of unity and service to society. She urged the students to put up a united fight against different social evils like gender discrimination, superstition and substance abuse.

Earlier, delivering the welcome address, Dr Sikhamoni Konwar, Principal of the college, briefed the audience on the history of the college and the present heights it has scaled in different fields. She extended gratitude and paid rich tributes to all who had contributed towards the development of the college since its inception on September 19, 1988.

The event was attended by Dr Hemoprava Saikia, former minister and currently member of the college governing body; Tabiul Hussain, columnist and social activist; Jitarani Khanikar, Principal, Karmashree Hiteswar Saikia Junior College; teachers and students.

Jitarani Khanikar, Dr Kanan Medi Patgiri, Rupa Changmai and Rajab Ali also spoke on the occasion wherein students Ananya Dutta, Pritam Das and Madurya Das presented songs.

The vote of thanks was offered by Dr Mowsumee B Hazarika, Vice Principal of the college, while the entire programme was anchored by Dr Tashrina Hussain.

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শুক্ৰবাৰ, ২০ ছেপ্টেম্বৰ, ২০১৯

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস



গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি 'আজিৰ সমাজৰ প্ৰতি নতুন প্ৰজন্মৰ কৰণীয়' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। বক্তৃতানুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা প্ৰথমগৰাকী মহিলা বিজ্ঞান মুখ্য ড° অপৰাজিতা বৰকটকীয়ে কয় যে যুৱ শক্তি হৈছে এক বৃহৎ শক্তিশালী শক্তি। যিয়ে সমাজত আমূল পৰিৱৰ্তন কৰিব পাৰে। তেওঁ লগতে কয় যে যুৱ প্ৰজন্মৰ জ্ঞানৰ পৰিধি যথেষ্ট বহল। বিজ্ঞানৰ অৱদানেৰে তেওঁলোকে সহজতে পৃথিৱীৰ সকলো কথা জানিবলৈ সমৰ্থ হৈছে। অনুষ্ঠানৰ আদৰণী ভাষণ দিয়ে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষা জীতাৰাণী খনিকৰে শিক্ষাৰ্থীসকলক সৎ পথত থাকি ভৱিষ্যতে দেশৰ সম্পদ হ'বলৈ আহ্বান জনায়। এই অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী ড° হেমপ্ৰভা শইকীয়া, প্ৰাক্তন প্ৰশাসনিক বিষয়া ড° তবিউল হুছেইন, মহাবিদ্যালয়ৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলো উপস্থিত থাকে।

৩০ ছেপ্টেম্বৰ, ২০১৯ সোমবাৰ, গুৱাহাটী
আমাৰ অসম

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

ধীৰেনপাৰাৰ প্ৰতিবেদক : মহানগৰীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ৩১সংখ্যক প্ৰতিষ্ঠা দিবস উপলক্ষে অলপতে 'আজিৰ সমাজৰ প্ৰতি নতুন প্ৰজন্মৰ কৰণীয়' শীৰ্ষক বক্তৃতানুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, প্ৰথমগৰাকী মহিলা বিজ্ঞানগুৰু ড° অপৰাজিতা বৰকটকীয়ে কয়— 'যুৱ শক্তি হৈছে এক মহৎ শক্তিশালী শক্তি, যিয়ে সমাজৰ আমোল পৰিবৰ্তন কৰিব পাৰে'। ড° বৰকটকীয়ে পুনৰ কয় যে বৰ্তমানৰ যুৱ প্ৰজন্মৰ জ্ঞানৰ পৰিধি যথেষ্ট বহল। বৈজ্ঞানিক অৱদানেৰে তেওঁলোকে বৰ্তমান সহজতে পৃথিৱীৰ সকলো কথা জানিবলৈ সক্ষম হৈছে। অধ্যয়নৰ লগতে তেওঁলোক সু-স্বাস্থ্যৰ গৰাকী হোৱাৰ উপৰি বয়োজ্যেষ্ঠজনক সন্মান কৰা, মোবাইল ফোনৰ উপযুক্ত ব্যৱহাৰ কৰা, মাদক দ্ৰব্যৰ পৰা আঁতৰি থকা, অন্ধবিশ্বাস দূৰ কৰা, সমাজত নাৰীক উচ্চ আসন দিয়া আদিৰ প্ৰতি সজাগ হৈ এইসমূহ দিশত একগোট হৈ কাম কৰিবলৈ ড° বৰকটকীয়ে আহ্বান জনায়। আদৰণী ভাষণত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰে মহাবিদ্যালয়খনৰ ৩১সংখ্যক প্ৰতিষ্ঠা দিবসত মহাবিদ্যালয়খনে কেনেকৈ বহুজনৰ কষ্টৰ বলত বৰ্তমান অসমৰ এখন উচ্চ শিক্ষানুষ্ঠান হিচাপে পৰিচিত হ'ব পাৰিছে, সেই কথা ব্যক্ত কৰি সেই মহান লোকসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ জিতাৱাণী খনিকৰে ছাত্ৰ-ছাত্ৰীক সৎ পথত থাকি ভৱিষ্যতে দেশৰ সম্পদ হ'বলৈ আহ্বান জনায়। অধ্যাপক ড° কানন মেধি পাটগিৰি, ৰূপা চাংমাই, ৰজৱ আলীয়ে অনুষ্ঠানত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী ড° হেমপ্ৰভা শইকীয়া, বিশিষ্ট সাহিত্যিক তথা প্ৰাক্তন প্ৰশাসনিক বিষয়া ড° ভবিউল হুছেইন, দুয়োখন মহাবিদ্যালয়ৰ শিক্ষকবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ড° তাচৰিন হুছেইনে আঁত ধৰা অনুষ্ঠানটোৰ শেষত উপাধ্যক্ষ ড° মৌচুমী বৰদলৈ হাজৰিকাই শলাগৰ শৰাই আগবঢ়ায়।

★★★ ৪ অক্টোবৰ, ২০১৯ শুক্ৰবাৰ, গুৱাহাটী
আমাৰ অসম

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত সদৌ অসম আন্তঃমহাবিদ্যালয় জয়ন্ত সংগীত প্ৰতিযোগিতা

ধীৰেনপাৰাৰ প্ৰতিবেদক, ৩ অক্টোবৰ : গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ উদ্যোগত বৃহস্পতিবাৰে মহাবিদ্যালয় প্ৰেক্ষাগৃহত সদৌ অসম আন্তঃমহাবিদ্যালয় জয়ন্ত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। অধ্যক্ষ ড° শিখামণি কোঁৱৰে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা প্ৰতিযোগিতাখন উদ্বোধন কৰে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই। মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়িকা ইন্দ্ৰাণী গগৈ পানী ফুকনে আদৰণী ভাষণ দিয়া প্ৰতিযোগিতাত অসমৰ ৩১খন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বিচাৰকৰ আসন অলংকৃত কৰে মনীষা হাজৰিকা, জে পি দাস, অৰূপ দত্তই। প্ৰতিযোগিতাত প্ৰথম বি বৰুৱা মহাবিদ্যালয়ৰ বিস্পী বেগম, দ্বিতীয় এছ কে হাজৰিকা মহাবিদ্যালয়ৰ নিবেদিতা কলিতা, তৃতীয় সোণাপুৰ মহাবিদ্যালয়ৰ দীপজ্যোতি দাস, উদগনিমূলক গুৱাহাটী মহাবিদ্যালয়ৰ অস্মিতা ডেকা, বিচাৰকৰ বিশেষ বঁটা লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা মহাবিদ্যালয়ৰ ৰাহুল দাস, জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অংশুমান দাসক প্ৰদান কৰা হয়। অনুষ্ঠানত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক বিষ্ণু কমল বৰাই ভাষণ দিয়ে।

অসমীয়া প্ৰতিদিন, ১৮ অক্টোবৰ ২০১৯

# উত্তৰ-পূব ভাৰত ইতিহাস সন্থাৰ অধিৱেশন

গুৱাহাটী, ১৭ অক্টোবৰ : উত্তৰ-পূব ভাৰত ইতিহাস সন্থা (এন ই আই এইচ এ)ৰ ৪০ সংখ্যক অধিৱেশনখন গুৱাহাটীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ২৪, ২৫ আৰু ২৬ অক্টোবৰত অনুষ্ঠিত হ'ব। অধিৱেশনত সভাপতিত্ব কৰিব মণিপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক এন লোকেন্দ্ৰ সিঙে। ২৪ অক্টোবৰত দিনৰ ১০ বজাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্য অতিথি হিচাপে উপস্থিত থাকি অধিৱেশনখন মুকলি কৰিব। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব শিক্ষা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য। ইয়াৰ উপৰি দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰা, অসম বিধানসভাৰ বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়া, তিনিগৰাকী অতিৰিক্ত মুখ্য সচিব আৰু কামৰূপ মহানগৰ জিলা উপায়ুক্ত বিশ্বজিৎ পেগু উপস্থিত থাকিব। অধিৱেশনৰ সৈতে সংগতি ৰাখি চাৰিখন গ্ৰন্থ উন্মোচন কৰা হ'ব। গ্ৰন্থকেইখন অভাৰভিউ নৰ্থ-ইষ্ট ইণ্ডিয়া, লৌহিত্য, কনফ্লাক্স আৰু ৪০ সংখ্যক এন ই আই এইচ এ শীৰ্ষক স্মৃতিগ্ৰন্থ। অধিৱেশনৰ তিনিওটা দিনতে দেশ-বিদেশৰ শতাধিক অধ্যাপক-গৱেষকে গৱেষণাপত্ৰ পাঠ কৰিব। ইপিনে, অধিৱেশনখন পৰিচালনা কৰিবলৈ অধ্যক্ষা তথা এন ই আই এইচ ইৰ স্থানীয় সম্পাদক ড° শিখামণি কোঁৱৰৰ নেতৃত্বত এখন কাৰ্যকৰী সমিতি গঠন কৰা হৈছে।

Assam Tribune, 18 Oct. 2019

# NE history body meet at city college

GUWAHATI, Oct 17: The 40th conference of North East India History Association (NEIHA) will be held at Karmashree Hiteswar Saikia College here on October 24, 25 and 26, according to a press release.

NEIHA, with more than 1500 members, is one of the premier research organisations in the entire North East India functioning effectively for the last 39 years. It was founded at Dibrugarh University in 1979. Since inception it has come a long way and organises annual academic sessions at different universities and colleges in the eight north-eastern states of India.

Karmashree Hiteswar Saikia College was selected as the venue for the 40th NEIHA conference at its last session held at Synod College, Shillong.

An organising committee headed by the host college's Principal Dr Sikhamoni Konwar has been formed to conduct the conference in smooth manner. The conference will be presided over by Prof N Lokendra Singh of the Department of History, Manipur University, Imphal.

Chief Minister Sarbananda Sonowal will be the chief guest of the inaugural session on October 24 at 10 am in the college auditorium. Education Minister Siddhartha Bhattacharya will attend the occasion as guest of honour. Dispur LAC MLA Atul Bora, Leader of the Opposition Debabrata Saikia, additional chief secretaries and the Deputy Commissioner of Kamrup (M) will be present at the inaugural ceremony.

Three books – *Overview North East India*, *Lohitya* and *Conflux* besides the 40th NEIHA Conference souvenir, will be released at the inaugural session. More than 300 participants from India and abroad will present papers and take part in discussions and deliberations, the press release added.

আমাৰ অসম, ১৯/১০/২০১৯

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত উত্তৰ-পূব ভাৰত ইতিহাস সন্থাৰ অধিৱেশন

**ধীৰেনপাৰাৰ প্ৰতিবেদক, ১৮ অক্টোবৰ :** গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ৪০সংখ্যক উত্তৰ-পূব ভাৰত ইতিহাস সন্থাৰ অধিৱেশনখন ২৪-২৬ অক্টোবৰত অনুষ্ঠিত হ'ব। অধিৱেশনত সভাপতিত্ব কৰিব মণিপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক এন লোকেন্দ্ৰ সিঙে। ২৪ অক্টোবৰত অধিৱেশনখন মুকলি কৰিব অসমৰ মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰা, অসম বিধানসভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, কামৰূপৰ (ম) উপায়ুক্ত বিশ্বজিৎ পেগু আদি উপস্থিত থাকিব। অধিৱেশনৰ লগত সংগতি ৰাখি চাৰিখন গ্ৰন্থ উন্মোচন কৰা হ'ব। অধিৱেশনত তিনিওদিনে তিনিশৰো অধিক ভাষাৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰো অধ্যাপক, গৱেষকসকলে গৱেষণা-পত্ৰ পাঠ কৰিব।

অসমীয়া প্ৰতিদিন, ২৫/১০/২০১৯.

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয় উত্তৰ-পূব ভাৰত ইতিহাস সন্থাৰ অধিৱেশন আৰম্ভ



**গুৱাহাটী, ২৪ অক্টোবৰ :** উত্তৰ-পূব ভাৰত ইতিহাস সন্থা (NEIHA)ৰ ৪০ সংখ্যক অধিৱেশনখন আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত আৰম্ভ হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে শিক্ষা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই। লগতে উপস্থিত থাকে অধ্যাপক এ কে ঠাকুৰ, অধ্যাপক ৰাজেন শইকীয়া, অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিবদ্বয় মণিন্দৰ সিং আৰু কুমাৰ সঞ্জয় কৃষ্ণ, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰ, ড° মৌচুমী বৰদলৈ হাজৰিকাকে ধৰি অন্যান্য বহু গণ্য-মান্য ব্যক্তি। উক্ত অনুষ্ঠানৰ আঁত ধৰে ড° মৰমী চৌধুৰী আৰু ড° মৃন্ময়ী বৰুৱাই।

THE ASSAM TRIBUNE, GUWAHATI 5

SUNDAY, OCTOBER 27, 2019

# NE history body's conference at city college

GUWAHATI, Oct 26: The 40th annual conference of the North East India History Association (NEIHA) was held at the Karmashree Hiteswar Saikia College here from October 24 to 26, according to a press release.

The inaugural function held on October 24, was attended by Education Minister Siddhartha Bhattacharya; additional chief secretaries Manindar Singh and Kumar Sanjay Krishna; former Cabinet Minister and former president of the college governing body Dr Hemoprava Saikia; NEIHA president Prof Rajen Saikia; NEIHA president elect Prof N Lokendra Singh; NEIHA general secretary Prof Amrendra Kr Thakur; Principal of the host college and local secretary of the conference Dr Sikhamoni Konwar; former UPSC chairman David Reid Syiemlieh; Prof JB Bhattacharjee; Prof JN Phukan; academicians, scholars and researchers from India and abroad.

Inaugurating the programme Minister Bhattacharya stressed the need for adopting new approaches to the study of history which is the basis of our present and future life and society. Additional chief secretaries Singh and Krishna also spoke on the occasion.

In his speech NEIHA president elect Prof Singh reflected on the complex processes of social and economic changes in Manipur and Naga Hills during World War II and beyond (1940-1950).

Prof Thakur briefed the gathering on the history and role of NEIHA since its inception in 1979 in organising an adequate platform for studying and exploring the history and culture especially of North East India.

Earlier, host college Principal Dr Konwar welcomed the delegates and paid tributes to the founders of the college former chief minister the late Karmashree Hiteswar Saikia and the late Tholok Gogoi. She also extended gratitude to Dr Hemoprava Saikia for her constant support and guidance towards the all-round development of the college. She also acknowledged the support of the late Umacharan Bania's son and Additional Chief Secretary Krishna and his family for donating the Umacharan Bania Library.

The inaugural function was marked by the release of four books – *Overview North East India*, edited by Dr Sikhamoni Konwar; *Lohitya*, edited by Dr Kashmiree Gogoi Baruah; *Conflux*, edited by Dr Anup Kumar Deka and the 39th NEIHA conference proceeding book along with the 40th NEIHA souvenir by Minister Bhattacharya.

Indrani Gogoi Paniphukan, Asst Professor, Dept of Economics presented a song at the function anchored by Dr Mrinmoyee Baruah and Dr Marami Choudhury, assistant professors of the college. The vote of thanks was offered by Dr Mowsumee Bordoloi Hazarika, Vice Principal of the college.

A cultural function showcasing the rich cultural heritage of North East India, was held on October 25. On the occasion, Prof Shiela Bora presented a documentary, *The Treasures of Dakhinpat Satra*.

The NEIHA annual business meeting was held on October 26 where names of the organisation's new office-bearers were announced. Altogether 159 research papers were presented by about 200 scholars during the three-day conference, the release added.

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শুক্ৰবাৰ, ১ নৱেম্বৰ, ২০১৯/১৪ কাতি, ১৯৪১ শক

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত উত্তৰ-পূব ভাৰত ইতিহাস সন্থাৰ অধিৱেশন



গুৱাহাটী, ৩১ অক্টোবৰ ঃ গুৱাহাটীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ২৪ অক্টোবৰৰ পৰা ২৬ অক্টোবৰলৈ তিনিদিনীয়াকৈ উত্তৰ-পূব ভাৰত ইতিহাস সন্থা (NEIHA)ৰ ৪০ সংখ্যক অধিৱেশনখন অনুষ্ঠিত হৈ যায়। ২৪ অক্টোবৰৰ পুৱা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত শিক্ষা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিবদ্বয় মনিন্দৰ সিং আৰু কুমাৰ সঞ্জয় কৃষ্ণ, ড° হেমপ্ৰভা শইকীয়া, অধ্যাপক জে এন ফুকন, অধ্যাপক জে বি ভট্টাচাৰ্য, NEIHA ৰ সভাপতি অধ্যাপক ৰাজেন শইকীয়া, অধ্যাপক এন লোকেন্দ্ৰ সিং, NEIHA ৰ সাধাৰণ সম্পাদক অমৰেন্দ্ৰ কুমাৰ ঠাকুৰ, স্মিলা বৰা, সৃষ্টি দত্ত আৰু NEIHA ৰ স্থানীয় সম্পাদক ড° শিখামণি কোঁৱৰৰ লগতে দেশৰ বিভিন্ন স্থানৰ শিক্ষাবিদ, গৱেষক উপস্থিত থাকে। শিক্ষা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে বুৰঞ্জী অধ্যয়নৰ নতুন তথ্যই আমাৰ বৰ্তমান, ভৱিষ্যতৰ দিনত প্ৰভাৱ পেলোৱাৰ উপৰি সমাজতো প্ৰভাৱ পেলায়। এই অনুষ্ঠানতে NEIHA ৰ বিদায়ী সভাপতি ৰাজেন শইকীয়াই দায়িত্বভাৰ নতুন সভাপতি অধ্যাপক এন লোকেন্দ্ৰ সিঙক অৰ্পণ কৰে। উদ্বোধনী অনুষ্ঠানত ড° শিখামণি কোঁৱৰে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক ৰাজ্যৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া, প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত হুথালোক গগৈ, ড° হেমপ্ৰভা শইকীয়া আৰু বিভিন্ন ব্যক্তিলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উদ্বোধনী অনুষ্ঠানত ড° শিখামণি কোঁৱৰে সম্পাদনা কৰা গ্ৰন্থ 'Overview North East India', ড° কাশ্মিৰী গগৈ বৰুৱাই সম্পাদনা কৰা 'লোহিত্য', ড° অনুপ কুমাৰ ডেকাই সম্পাদনা কৰা গ্ৰন্থ 'Conflux', 39th NEIHA Conference proceeding book আৰু 40th NEIHA sovienir উন্মোচন কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ পিচত দেশৰ বিভিন্ন স্থানৰ পৰা অহা গৱেষকসকলে গৱেষণাপত্ৰ পাঠ কৰে। দুটা দিনত ১৫৯ খন গৱেষণাপত্ৰ পাঠ কৰা হয়। ২৫ অক্টোবৰৰ সন্ধিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰে। এই অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত অধ্যাপিকা স্মিলা বৰাই দক্ষিণপাট সত্ৰৰ সম্পদ সম্পৰ্কীয় তথ্যচিত্ৰ প্ৰদৰ্শন কৰে। ২৬ অক্টোবৰত NEIHA ৰ বাৰ্ষিক ব্যৱসায়িক সভা অনুষ্ঠিত হয়।

অসমীয়া প্ৰতিদিন

৬ অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শনিবাৰ, ২ নৱেম্বৰ, ২০১৯/১৫ কাতি, ১৯৪১ শক

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কলেজত 'গল্পকথা'



গুৱাহাটী, ১ নৱেম্বৰ ঃ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ 'কৰ্মশ্ৰীয়ান ইতিহাস চ'ৰা'ৰ উদ্যোগত অসমীয়া গল্প সাহিত্যৰ ব্যতিক্ৰমী অনুষ্ঠান 'গল্পকথা' আজি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। কবি, গল্পকাৰ, 'সাতসৰী' আলোচনীৰ কাৰ্যবাহী সম্পাদক অতনু ভট্টাচাৰ্য আৰু গায়িকা মিতালী দে'ৰ লগতে 'গল্পকথা' অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পুজাৰী। আজিৰ 'গল্পকথা' অনুষ্ঠানত অতনু ভট্টাচাৰ্য আৰু মিতালী দে'ই গুলজাৰ, অনুৰাধা শৰ্মা পুজাৰী আৰু লেংচন হাফিজৰ দ্বাৰা ৰচিত তিনিটা গল্প কথা আৰু গীতেৰে পৰিবেশন কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° শিখামণি কোঁৱৰে কয়— আজিৰ এই গল্প তিনিটাই ভাৰতৰ স্বাধীনতাৰ সময়ৰ পৰিবেশ, পৰিস্থিতি ব্যাখ্যা কৰাৰ লগতে 'গল্পকথা'ৰ প্ৰয়াসে যুৱ সমাজক ম'বাইলৰ মাজৰ পৰা সাহিত্যৰ জগতলৈ ঘূৰি যোৱাত সহায় কৰিব। এই অনুষ্ঠানত ড° মৰমী চৌধুৰী, ড° অনুপ ডেকা, ড° কাশ্মীৰী গগৈ বৰুৱা, মেঘালী বৰুৱা শইকীয়াই নিজৰ অনুভৱ ব্যক্ত কৰে। আজিৰ 'গল্পকথা' অনুষ্ঠানত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। ড° কাশ্মীৰী গগৈ বৰুৱাই আঁত ধৰা অনুষ্ঠানত ড° বিনীতা পেগুৱে শলাগৰ শৰাই আগবঢ়ায়।



গুৱাহাটী ১ নৱেম্বৰ শুক্ৰবাৰ ২০১৯ পৃষ্ঠা ৯

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন

গুৱাহাটী, ৩১ অক্টোবৰ : কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত চৰ্দাৰ বল্লভভাই পেটেলৰ ১৪৪ সংখ্যক জন্ম দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন কৰা হয়। আয়োজক নেহৰু যুৱ কেন্দ্ৰ কামৰূপ মহানগৰ জিলাৰ উদ্যোগতা তথা যুৱ আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ সহযোগ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ নৈতিক আৰু আধ্যাত্মিক কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° শিখামনি কোঁৱৰে ৰাষ্ট্ৰীয় একতা দিৱসৰ তাৎপৰ্য আৰু চৰ্দাৰ বল্লভ ভাই পেটেলৰ জীৱনৰ ওপৰত আলোকপাত কৰি বক্তব্য আগবঢ়ায়। জিলা যুৱ কেন্দ্ৰৰ সমন্বয়ক মীৰা দাস শইকীয়াই ৰাষ্ট্ৰীয় একতা দিৱসৰ যুৱ কেন্দ্ৰৰ সমন্বয়ক মীৰা দাস শইকীয়াই ৰাষ্ট্ৰীয় একতা দিৱসৰ লগত সংগতি ৰাখি বক্তব্য দাঙি ধৰে। উপাধ্যক্ষা মৌচুমী বৰদলৈ হাজৰিকাই একতাৰ শপত বাক্য পাঠ কৰায়। ড° কানন মেধি পাটিগিৰি, এন এছ এছৰ সমন্বয়ক ড° নুৰুল ইছলামে চৰ্দাৰ বল্লভ ভাই পেটেলৰ কাৰ্যকলাপৰ ওপৰত আলোকপাত কৰি বক্তব্য দাঙি ধৰে। ছাত্ৰ ৰণিত বিশ্বাসে চমু বক্তব্য দাঙি ধৰে। প্ৰাক্তন ছাত্ৰ কৃষ্ণা কাকতিয়ে এটি কবিতা পাঠ কৰে। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ, চৰ্দাৰ বল্লভ ভাই পেটেলৰ জীৱন পৰিক্ৰমাৰ ৰচনা আৰু ছবি অঁকা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাসমূহ পৰিচালনা কৰে সহকাৰী অধ্যাপক শ্ৰীবিজু ৰাজখোৱাই। আজিৰ এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, শিক্ষকবৃন্দ উপস্থিত থাকে।

১১ নৱেম্বৰ, ২০১৯ সোমবাৰ, গুৱাহাটী

**আমাৰ অসম**

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন

ধীৰেনপাৰাৰ প্ৰতিবেদক : গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত অলপতে নেহৰু যুৱ কেন্দ্ৰ, কামৰূপ মহানগৰ, ভাৰত চৰকাৰৰ যুৱ আৰু ক্ৰীড়া বিভাগৰ সৈতে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ নৈতিক আৰু আধ্যাত্মিক কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত চৰ্দাৰ বল্লভভাই পেটেলৰ ১৪৪সংখ্যক জন্ম দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰে দিৱসৰ তাৎপৰ্য আৰু পেটেলৰ জীৱনৰ ওপৰত আলোকপাত কৰা অনুষ্ঠানত জিলা যুৱ কেন্দ্ৰৰ সমন্বয়ক মীৰা দাস শইকীয়া, উপাধ্যক্ষ ড° মৌচুমী বৰদলৈ হাজৰিকা, ড° কানন মেধি পাটিগিৰি, এন এছ এছৰ সমন্বয়ক ড° নুৰুল ইছলাম, ছাত্ৰ ৰণিত বিশ্বাসে ভাষণ দিয়ে। প্ৰাক্তন ছাত্ৰ কৃষ্ণা কাকতীয়ে কবিতা পাঠ কৰা অনুষ্ঠানত সহকাৰী অধ্যাপক বিজু ৰাজখোৱাৰ পৰিচালনাত কুইজ, পেটেলৰ জীৱন পৰিক্ৰমাৰ ৰচনা, ছবি অঁকা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

৪ নৱেম্বৰ, ২০১৯ সোমবাৰ, গুৱাহাটী
আমাৰ অসম

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত উত্তৰ-পূব ভাৰত ইতিহাস সন্থাৰ অধিৱেশন

ধীৰেনপাৰাৰ প্ৰতিবেদক ঃ গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত উত্তৰ-পূব ভাৰত ইতিহাস সন্থাৰ ৪০সংখ্যক অধিৱেশনখন অলপতে সামৰণি পৰে। উদ্বোধনী অনুষ্ঠানত অসমৰ শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং আৰু কুমাৰ সঞ্জয় কৃষ্ণ, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী ড° হেমপ্ৰভা শইকীয়া, অধ্যাপক জে এন ফুকন, জে বি ভট্টাচাৰ্য, এন ই আই এইচ এৰ সভাপতি অধ্যাপক ৰাজেন শইকীয়া, অধ্যাপক এন লোকেন্দ্ৰ সিং, সাধাৰণ সম্পাদক অমৰেন্দ্ৰ কুমাৰ ঠাকুৰ, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰ আদি দেশৰ বিভিন্ন স্থানৰ শিক্ষাবিদ, গৱেষক উপস্থিত থাকে। অনুষ্ঠানত বিদায়ী সভাপতি ৰাজেন শইকীয়াই নতুন সভাপতি এন লোকেন্দ্ৰ সিঙক দায়িত্বভাৰ অৰ্পণ কৰে। অনুষ্ঠানত ড° শিখামণি কোঁৱৰে সম্পাদনা কৰা গ্ৰন্থ 'অভাৰভিউ নৰ্থ-ইষ্ট ইণ্ডিয়া', ড° কাশ্মিৰী গগৈ বৰুৱাই সম্পাদনা কৰা 'লৌহিত্য', ড° অনুপ কুমাৰ ডেকাই সম্পাদনা কৰা 'কনফ্লাক্স' আৰু ৩৩সংখ্যাক এন ই আই এইচ এৰ কনফাৰেন্স প্ৰচিডিং বুক আৰু ৪০সংখ্যাক এন ই আই এইচ এৰ স্মৰণিকা উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যাপক ইন্দ্ৰাণী গগৈ পানীফুকনে এটা গীত পৰিৱেশন কৰা অনুষ্ঠানত ড° মৃণ্ময়ী বৰুৱা আৰু ড° মৰমী চৌধুৰীয়ে আঁত ধৰে। উপাধ্যক্ষ ড° মৌচুমী বৰদলৈ হাজৰিকাই শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত দেশৰ বিভিন্ন স্থানৰ পৰা গৱেষকসকলে গৱেষণা-পত্ৰ পাঠ কৰে। সামৰণিৰ দিনা সাংস্কৃতিক অনুষ্ঠানত প্ৰাক্তন অধ্যাপক শীলা বৰাই দক্ষিণপাট সত্ৰৰ সম্পদ সম্পৰ্কীয় তথ্যচিত্ৰ প্ৰদৰ্শন কৰে।